**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-07-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

# HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰিঅ' দি জেনেৰিঅ'ত আজি নিশা আৰম্ভ হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত ১২শতকৈও অধিক নাৰ্চিং বিষয়াক নিযুক্তি পত্ৰ বিতৰণ কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত নিয়ন্ত্ৰক সকলৰ সন্মিলন ২০২৫ মুকলি কৰিব।

৪। সমবায় সমিতিসমূহে দেশৰ অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে বুলি কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

**আৰু**

৫। এজবেষ্টন টেষ্টৰ অন্তিম দিনা ভাৰতৰ বিৰুদ্ধে ইংলেণ্ডৰ ৫ উইকেটৰ পতন হোৱাত দলটো শলঠেকত পৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰিঅ' দি জেনেৰিঅ'ত আজি নিশা আৰম্ভ হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। ব্ৰিকছ্ সদস্য-ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সপ্তদশ ব্ৰিকছ্ শীৰ্ষ সন্মিলনত আন্তৰ্জাতিক প্ৰশাসনীয় সংস্কাৰ, পৰিবেশ পৰিৱৰ্তন সম্পৰ্কীয় প্ৰত্যাহ্বান তথা কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হ'ব। এই সন্মিলনত স্বাস্থ্য, কৃত্ৰিম বুদ্ধিমত্তাৰ ইতিবাচক ব্যৱহাৰৰ পৰা আৰম্ভ কৰি আন্তৰ্জাতিক সমস্যা সমাধান, পৰিবেশ পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ উদ্দেশ্যে প্ৰয়োজন হোৱা বিত্তৰ বাবে বহুপাক্ষিক বেংকসমূহৰ সংস্কাৰ আদি ক্ষেত্ৰত সহযোগিতা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এটা ৰূপৰেখা প্ৰস্তুত কৰিব বিচৰা হৈছে। তদুপৰি এই সন্মিলনৰ জৰিয়তে সমতাপূৰ্ণ সৰ্বাত্মক আন্তৰ্জাতিক প্ৰশাসন গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখিও কিছু পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই শীৰ্ষ সন্মিলনৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা। দুদিনীয়া এই সন্মিলনৰ অন্তত প্ৰধানমন্ত্ৰীগৰাকীয়ে ব্ৰাছিলিয়া ভ্ৰমণ কৰিব। উল্লেখযোগ্য যোৱা ছটা দশকৰ ভিতৰত এয়া হ'ব কোনো ভাৰতীয় প্ৰধানমন্ত্ৰী প্ৰথম ব্ৰাছিলিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা দা ছিলভাৰ সৈতে দেশ দুখনৰ মাজৰ কৌশলগত মিত্ৰতা গভীৰ কৰি তোলাৰ উদ্দেশ্যে বৈঠকত মিলিত হ'ব।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত ১২শতকৈও অধিক নাৰ্চিং বিষয়াক নিযুক্তি পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাও উপস্থিত থাকে। অনুষ্ঠানত সমবেত লোকক সম্বোধন কৰি শ্ৰীনাড্ডাই কয় যে দেশৰ স্বাস্থ্য নীতিয়ে সম্প্ৰতি জনসাধাৰণক চিকিৎসা প্ৰদান কৰাৰ পূৰ্বেই

ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে দেশৰ স্বাস্থ্য খণ্ড সম্প্ৰতি সৰ্বাত্মক হৈ উঠাৰ লগতে এই খণ্ডই চিকিৎসা প্ৰদান কৰাৰ উপৰি পুনৰ্বাসনৰো ব্যৱস্থা কৰিছে। প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত চাৰি বছৰৰ পূৰ্বে এহেজাৰ ৭৫০ কোটি টকা মঞ্জুৰ কৰা হোৱা সত্বেও দিল্লী চৰকাৰ সেই ধন ইতিবাচকভাৱে ব্যয় কৰিবলৈ অসমৰ্থ হোৱা বুলি শ্ৰীনাড্ডাই অভিযোগ তোলে। সম্প্ৰতি ৰেখা গুপ্তা নেতৃত্বাধীন চৰকাৰখনে অহা বছৰ মাৰ্চত এই ধনৰ ম্যাদ উকলি যোৱাৰ পূৰ্বে সহস্ৰাধিক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপনৰ জৰিয়তে উদ্দেশ্য সফল কৰি তুলিব বুলি শ্ৰীনাড্ডাই আস্থা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে এই পুঁজিৰ জৰিয়তে নিৰ্মিত আৰোগ্য মন্দিৰসমূহে ৩০ বছৰৰ উৰ্ধৰ লোকসকলক বিনামূলীয়া স্বাস্থ্য পৰীক্ষাৰ সুবিধা প্ৰদান কৰাৰ জৰিয়তে মহানগৰখনৰ স্বাস্থ্য আন্তঃগাঁথনি ত্বৰান্বিত কৰিব। তেওঁ লগতে কয় যে ইয়াৰ জৰিয়তে কৰ্কট, উচ্চ ৰক্তচাপ তথা বহুমূত্ৰ ৰোগৰ বিৰুদ্ধে যুঁজাত সহায় হ'ব। অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয় যে অহা বছৰ মাৰ্চত ইতিমধ্যে মঞ্জুৰ হোৱা ধনৰ ম্যাদ উকলি যোৱাৰ পূৰ্বে নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে প্ৰতি মাহে ৰাজধানী দিল্লীত ১০০খনকৈ আৰোগ্য মন্দিৰ মুকলি কৰা হ'ব। দিল্লী চৰকাৰে ইতিমধ্যে ১০০খন এনে প্ৰতিষ্ঠান প্ৰস্তুত কৰি তোলা বুলি উল্লেখ কৰি তেওঁ কয় যে এইসমূহৰ ভিতৰত ৬০খনতকৈও অধিক প্ৰতিষ্ঠান চলিত মাহত মুকলি কৰা হ'ব. আৰোগ্য মন্দিৰসমূহৰ জৰিয়তে প্ৰাথমিক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দিল্লীবাসী উপকৃত হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীনাড্ডা আৰু মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আয়ুষ্মান ভাৰত পঞ্জীয়নৰ বাহনসমূহো পতাকা জোকাৰি মুকলি কৰে। উল্লেখযোগ্য যে এই বাহনসমূহৰ জৰিয়তে দিল্লীবাসীৰ দুৱাৰে দুৱাৰে আয়ুষ্মান ভাৰতৰ পঞ্জীয়নৰ সুবিধা আগবঢ়োৱা হ'ব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত নিয়ন্ত্ৰকসকলৰ সন্মিলন ২০২৫ মুকলি কৰিব। প্ৰতিৰক্ষা গণনা বিভাগে তিনিদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে যে এই সন্মিলনত ৮খনকৈ উচ্চ পৰ্যায়ৰ বাণিজ্যিক অধিবেশন আয়োজিত হ'ব। এই অধিবেশনসমূহত বাজেট তথা গণনা সংক্ৰান্তীয় সংস্কাৰ, অভ্যন্তৰীণ হিচাপ পৰীক্ষা সংস্কাৰ, সহযোগিতামূলক গৱেষণাকে ধৰি সক্ষমতা নিৰ্মাণৰ লগতে কেইবাটাও বিষয় সামৰি লোৱা হ'ব। বিবৃতিটোত লগতে কোৱা হয় যে এই অধিবেশনসমূহত এটা প্ৰতিযোগিতামূলক আৰু আত্মনিৰ্ভৰশীল প্ৰতিৰক্ষা বিভাগ গঢ়ি তোলাৰ বাবে কৌশলগত সমৰ্থনসহ বিত্তীয় দূৰদৰ্শিতাৰ ক্ষেত্ৰত সমতা ৰক্ষাত সংহত বিত্তীয় উপদেষ্টাসকলৰ শেহতীয়া ভূমিকা সন্দৰ্ভত আলোচনা কৰা হ'ব। প্ৰতিৰক্ষা হিচাপ পৰীক্ষা বিভাগৰ শীৰ্ষ বিষয়া, অসামৰিক সেৱা, শৈক্ষিক বিভাগ, চিন্তাবিদ তথা বিভিন্ন অংশীদাৰীকে ধৰি প্ৰতিৰক্ষা আৰু বিত্তীয় খণ্ডৰ বিভিন্ন পক্ষই এই সন্মিলনত অংশগ্ৰহণ কৰিব। এইবেলি সন্মিলনৰ বিষয়বস্তু হৈছে - প্ৰতিৰক্ষা, বিত্ত তথা অৰ্থনীতিৰ জৰিয়তে বিত্তীয় উপদেশ, ধন আদায়, হিচাপ পৰীক্ষা তথা গণনা ত্বৰান্বিত কৰা। চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, সেনাবাহিনীৰ মুৰব্বীসকল, প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং, প্ৰতিৰক্ষা সেৱাৰ বিত্তীয় উপদেষ্টা এছ জি ডাষ্টিদাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে কাইলৈ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

কৈলাশ পৰ্বত আৰু মানস সৰোবৰৰ পবিত্ৰ তীৰ্থযাত্ৰা সম্পূৰ্ণ কৰি দ্বিতীয়টো দল আজি গেংটকত উপস্থিত হৈছে। ৪৭ গৰাকী যাত্ৰীৰে গঠিত এই দলটোৱে ২৫ জুনত নাথুলা

সীমান্ত পাৰ হৈ কৈলাশ মানস সৰোবৰ তীৰ্থযাত্ৰা আৰম্ভ কৰিছিল। যাত্ৰা সম্পূৰ্ণ কৰাৰ অন্তত তীৰ্থযাত্ৰীসকলে ছিকিম চৰকাৰে যাত্ৰাকালত আগবঢ়োৱা সু-ব্যৱস্থা আৰু আতিথ্যৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২০ জুনত নাথুলাৰ পৰা ৩৬ গৰাকী তীৰ্থযাত্ৰীৰ সৈতে এই ঐতিহাসিক কৈলাশ মানস সৰোবৰ যাত্ৰা আৰম্ভ হৈছিল।

০০০০০

সমবায় সমিতিসমূহে দেশৰ অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে বুলি কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। সমবায় মন্ত্ৰালয়ৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে আজি গুজৰাটত আমূল আৰু NDDBৰ কেইবাটাও উন্নয়নমুলক প্ৰকল্পৰ শুভাৰম্ভ কৰি শ্ৰীশ্বাহে এই মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কৈছে যে খাদ্য সামগ্ৰীৰ উৎপাদন, বিক্ৰীৰ সৈতে জড়িত তিনিখন সমবায় সমিতি, নতুনকৈ গঠন হোৱা ২ লাখ প্ৰাথমিক কৃষিজাত ঋণ সমিতি আৰু দুগ্ধজাত সামগ্ৰীৰ সৈতে জড়িত তিনিখন সমবায় সমিতিয়ে একেলগে দেশৰ সমবায় আন্দোলনক শক্তিশালী কৰিছে। এই কাৰ্যসূচীতে মন্ত্ৰীগৰাকীয়ে ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জন্মবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি কয় যে শ্যামাপ্ৰসাদ মুখাৰ্জী অবিহনে কাশ্মীৰ কোনোদিন ভাৰতৰ মূল ভুখণ্ডৰ অংশ নহলহেঁতেন।

০০০০০

ব্ৰিটেইনৰ বৈদেশিক সচিব ডেভিদ লেমিৰ ডামাস্কাছ ভ্ৰমণৰ পাছতে ছিৰিয়া আৰু ব্ৰিটেইনে দেশ দুখনৰ মাজৰ কূটনৈতিক সম্পৰ্ক আনুষ্ঠানিকভাৱে নৱীকৰণ কৰিছে। দুয়োখন দেশৰ চৰকাৰে প্ৰকাশ কৰা বিবৃতি অনুসৰি লণ্ডনত ছিৰিয়াৰ দূতাবাস পুনৰ মুকলি কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে ছিৰিয়া-ব্ৰিটিছ অৰ্থনৈতিক পৰিষদ স্থাপন কৰিবলৈও দুয়োখন দেশ সন্মত হৈছে। লেমীয়ে ছিৰিয়াৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰ আৰু দেশখনৰ সামগ্ৰিক ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে ব্ৰিটেইনৰ সমৰ্থনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ছিৰিয়াৰ কৃষি আৰু শিক্ষা খণ্ডসমূহক উন্নয়নৰ দিশত ব্ৰিটেইনৰ সহযোগিতাৰ আশ্বাস দিয়ে। এই ভ্ৰমণকালত লেমীয়ে ছিৰিয়াত শিক্ষা আৰু জীৱিকাৰ সুবিধা ত্বৰান্বিত কৰা, মানৱীয় সাহায্য প্ৰদান আৰু ছিৰিয়াৰ শৰণাৰ্থীসকলক আতিথ্য দিয়া চুবুৰীয়া দেশসমূহক সহায় কৰাৰ বাবে ১১১ দশমিক ৩ নিযুত ডলাৰৰ সাহায্যৰ কথাও ঘোষণা কৰে।

০০০০০

এজবেষ্টনত চলি থকা ভাৰত আৰু ইংলেণ্ডৰ মাজৰ টেণ্ডুলকাৰ-এণ্ডাৰচন টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। আজি বৰষুণৰ বাবে পলমকৈ আৰম্ভ হোৱা পঞ্চম দিনৰ খেলত ইংলেণ্ডে কালিৰ ৩ উইকেটত ৭২ ৰানৰ পৰা খেল আৰম্ভ কৰি বাতৰি

যুগুতোৰাৰ পৰলৈকে ৫টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰিছে। ভাৰতক খেলখনত জয়ৰ বাবে ৫টা উইকেট আৰু ইংলেণ্ডক ৪৪৮ ৰানৰ প্ৰয়োজন।

উল্লেখযোগ্য যে কালি ভাৰতীয় অধিনায়ক শুভমন গিলে শতক অৰ্জন কৰি টেষ্ট ক্ৰিকেটৰ ইতিহাসত অনন্য কৃতিত্ব অৰ্জন কৰিছে। প্ৰথম ইনিংছত ২৬৯ আৰু দ্বিতীয় ইনিংছৰ ১৬১ ৰানৰ সৈতে খেলুৱৈগৰাকীয়ে ব্যক্তিগতভাৱে ৪৩০ ৰান সংগ্ৰহ কৰি এই সাফল্য অৰ্জন কৰিছে।

ooooo

উইম্বলডন টেনিছৰ মিক্সড ডাবলছত ভাৰতৰ যুকি ভামব্ৰি আৰু চীনৰ জিন ইউ জিয়াঙৰ যুটীটো দ্বিতীয় বাছনিৰ মাৰ্ছেলো আৰেৱালো আৰু শুৱাই ঝাঙৰ মুখামুখি হ'ব। পুৰুষ ছিংগলছত যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ্ আলকাৰাজে আন্দ্ৰে ৰুবলেৰৰ মুখামুখি্ হ'ব। মহিলাৰ ছিংগলছত সম্প্ৰতি বিশ্বৰ প্ৰথম স্থান আৰিয়ানা ছাবালেংকা, এলিছে মাৰ্টেনেছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। যোৱাবাৰৰ চেম্পিয়ন বাৰ্বোৰ ক্ৰেজছিকোভা কালি তৃতীয় ৰাউণ্ডত দশম বাছনিৰ খেলুৱৈ এম্মা নাৱাৰোৰ হাতত পৰাস্ত হয়।

ooooo

সমাপ্ত